অধ্যায় ১৫ ঃ মুদ্রা বজাৰ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ মুদ্রা বজাৰ
১৫.৪ অর্থনীতিত মুদ্রা বজাৰৰ ভূমিকা
১৫.৫ মুদ্রা বজাৰৰ আহিলাবোৰ
১৫.৬ মুদ্রা বজাৰ আৰু মূলধন বজাৰৰ আন্তঃসম্পর্ক
১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৮ অধিক জানিবৰ বাবে
১৫.৯ অগ্রগতিৰ খতিয়ান
১৫.১০ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মুদ্রা বজাৰৰ অর্থ বুজি পাব
- অর্থনীতিত মুদ্রা বজাৰৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- মুদ্রা বজাৰত ব্যৱহৃত বিভিন্ন আহিলাৰ বিষয়ে জানিব পাৰিব
- মুদ্রা বজাৰ আৰু মূলধন বজাৰৰ আন্তঃ সম্পর্ক চিনাক্ত কৰিব পাৰিব।

১৫.২ পৰিচয়

মুদ্রা বজাৰ হ'ল হ্রস্বম্যাদী আহিলাৰ এক বজাৰ। এই বজাৰৰ প্রকৃতি অতি তৰল আৰু ই সহজে বিপণনসাধ্য। মুদ্রা বজাৰৰ অধ্যয়ন এক বিশাল ক্ষেত্র। সেয়েহে ইয়াৰ সংজ্ঞা দাঙি ধৰাটোও এক জটিল কাম। এই অধ্যায়টিত আমি মুদ্রা বজাৰৰ অর্থ আৰু বৈশিষ্ট্যবোৰ বুজাৰ প্রয়াস কৰাৰ লগতে অর্থনীতিত এনে বজাৰৰ ভূমিকা সম্পর্কেও আলোচনা কৰিম।

মুদ্রা বজাৰে তলব আৰু জাননী বজাৰ (Call and Notice Market), বাণিজ্যিক বিল বজাৰ (Commercial Bills), বাণিজ্যিক দলিল-পত্রৰ বজাৰ (Commercial Paper Market), ট্রেজাৰী বিল বজাৰ (Treasury Bill Market) আৰু জমাধনৰ প্রমাণপত্রৰ বজাৰ (Certificates of Deposits Market) ক সামৰি লয়। এই অধ্যায়টিত আমি মুদ্রা বজাৰৰ উল্লিখিত আহিলাবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰিম। অধ্যায়টি পঢ়ি আপুনি মুদ্রা বজাৰ আৰু মূলধন বজাৰৰ আন্তঃসম্পর্কও বর্ণনা কৰিব পৰা হ'ব।

১৫.৩ মুদ্রা বজাৰ

হ্ৰস্বম্যাদী পুঁজি ধাৰলৈ লোৱা আৰু ধাৰে দিয়াৰ সুযোগ সুচল কৰিবলৈ থকা আনুষ্ঠানিক ব্যৱস্থাপনা প্ৰণালীটোকে মুদ্রা বজাৰ বোলা হয়। এখন মুদ্রা বজাৰত বিভিন্ন প্ৰকাৰৰ আহিলাৰ বিপৰীতে এবছৰ নাইবা তাতোকৈ কম সময়ৰ পৰিপক্কতা কালৰ বাবে পুঁজি ধাৰলৈ ল'ব পৰা যায়। মুদ্রা বজাৰত ব্যৱহৃত আহিলাবোৰ হৈছে 'বিনিময়ৰ বিল' (Bills of Exchange), হ্ৰস্বম্যাদী প্ৰতিভূতি (Short-Term Securities), বেংকাৰৰ গ্ৰহণ পত্ৰ (Banker's Acceptances) ইত্যাদি । এইবোৰক 'মুদ্রাৰ সমমান' (Near Money) বুলি ধৰা হয়। মুদ্রা বজাৰে উৎপাদন আৰু বিতৰণ কাৰ্যৰ বাবে প্ৰয়োজনীয় পুঁজিৰ যোগান ধৰে। ই দেশ এখনৰ অৰ্থনৈতিক বিকাশৰ পৃষ্ঠপোষকতা কৰে।

ভাৰতীয় মুদ্রা বজাৰৰ সবাতোকৈ গুৰুত্বপূৰ্ণ গঠনকাৰী উপাদানবিধ হ'ল ভাৰতীয় ৰিজাৰ্ভ বেংক। মুদ্রা বজাৰখন ৰিজাৰ্ভ বেংকে প্ৰস্তুত কৰা নিৰ্দেশাৱলীৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণাধীন।

বিনিয়োগকাৰীৰ মাজত হ্ৰস্বম্যাদী ঋণ আহিলা লেনদেন কৰিবলৈ মুদ্রা বজাৰখনেই একমাত্ৰ স্থান নহয়। ধাৰলৈ লওঁতা আৰু ধাৰে দিওতাৰ মাজত আন বহুতো স্থানত পোনপটীয়া লেনদেনৰ ব্যৱসায় চলে। যিকোনো পৰিমাণৰ ধন যিকোনো সময়তে লেনদেন কৰিবলৈ আন বহুতো ফলপ্ৰসূ ব্যৱস্থা আছে, আঞ্চলিক উপ বজাৰবোৰবো কেন্দ্ৰীয়ভাৱে সংগঠিত বজাৰখনৰ সৈতে আন্তঃসংযোগ ঘটোৱা হৈছে।

এখন মুদ্রা বজাৰৰ মৌলিক বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হ'লঃ

- মুদ্রা বজাৰত এবছৰ অথবা তাতোকৈ কম পৰিপক্কতা কাল থকা হ্ৰস্বম্যাদী প্ৰতিভূতিবোৰৰ বেচা-কিনা চলে।
- কেন্দ্ৰীয় আৰু আঞ্চলিক হ্ৰস্বম্যাদী বজাৰবোৰে একোটা ৰাষ্ট্ৰীয় হ্ৰস্বম্যাদী সূতৰ হাৰ সংৰচনা গঢ়ি তোলে।
- কেন্দ্ৰীয় আৰু আঞ্চলিক হ্ৰস্বম্যাদী বজাৰবোৰে একোটা ৰাষ্ট্ৰীয় হ্ৰস্বম্যাদী ঋণ সংৰচনাও গঢ়ি তোলে।
- সমগ্ৰ দেশতে অব্যৱহৃত হৈ পৰি থকা পুঁজিবোৰ মধ্যৱৰ্তী ব্যৱস্থাৰ জৰিয়তে কেন্দ্ৰীয় মুক্ত বজাৰলৈ স্থানান্তৰ কৰা হয়।
- পুঁজিবোৰ বেছিভাগ সময়তে পাইকাৰী ভিত্তিত স্থানান্তৰ কৰা হয়। বৃহৎ প্ৰতিষ্ঠানবোৰে পৰস্পৰৰ সৈতে পোনপটীয়া যোগাযোগ স্থাপন কৰে।
- মুদ্রা বজাৰত জড়িত वित्तीय প্ৰতিষ্ঠানবোৰৰ ভূমিকা দেশখনৰ মুদ্রা আৰু ঋণ ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়।
- ভাৰতীয় মুদ্রা বজাৰৰ প্ৰধান অংশগ্ৰহণকাৰীসকল হ'ল ভাৰতীয় ৰিজাৰ্ভ বেংক (RBI), ভাৰতীয় ৰেহাই আৰু পুঁজি যোগান গৃহ (DFHI), মিউছুৱেল ফাণ্ডচ্, অনা-বেংকিং वित्तीय প্ৰতিষ্ঠানবোৰ (NBFCs), ৰাজ্য চৰকাৰ ইত্যাদি।

১৫.৪ অর্থনীতিত মুদ্রা বজাৰৰ ভূমিকা

বেংকৰ তাৰল্য ব্যৱস্থাপনা আৰু মুদ্রা নীতিৰ প্রচাৰত মুদ্রা বজাৰে এক মুখ্য ভূমিকা পালন কৰে। স্বাভাৰিক সময়ত বিত্ত খণ্ডৰ সবাতোকৈ তৰল অংশবোৰৰ মাজৰে এটা হ'ল মুদ্রা বজাৰ। এক বিকশিত, সক্রিয় তথা ফলপ্রসূ আন্তঃবেংক বজাৰে কেন্দ্রীয় বেংকৰ মুদ্রা নীতিৰ প্রবণতাবোৰ অর্থনীতিলৈ সঞ্চাৰিত কৰি নীতিবোৰৰ কার্যকাৰিতা বৃদ্ধি কৰে। মুদ্রা বজাৰৰ বিকাশে বিত্তীয় মধ্যস্থভৱন (financial interi mediation) ৰ প্রক্রিয়াটো মসৃণ কৰি তোলে আৰু অর্থনীতিলৈ ধন ধাৰে দিয়া কার্যটোৰ মান উন্নত কৰি তোলে। ইয়াৰ ফলত দেশ এখনৰ অর্থনৈতিক আৰু সামাজিক কল্যাণ সাধন হয়। অর্থনীতিত মুদ্রা বজাৰৰ ভূমিকা আমি তলত দিয়া শিতানবোৰৰ অধীনত আলোচনা কৰিব পাৰোঁ-

- **পুঁজিৰ স্থিৰ উৎস ঃ** সক্রিয় মূলধন প্রয়োজনীয়তা থকা ৰাজহুৱা আৰু ব্যক্তিগত প্রতিষ্ঠানবোৰক এই পুঁজিৰ জৰিয়তে হস্রম্যাদী বিত্তীয় সাহায্য প্রদান কৰা হয়। বাণিজ্যিক বেংক, ডিচকাউণ্ট হাউছেচ (Discount Houses) দালাল আৰু একচেপটেঞ্চ হাউচ (Acceptance Houses) ৰ দ্বাৰা এই পুঁজিৰ যোগান ধৰা হয়। এইদৰে মুদ্রাবজাৰে দেশৰ ভিতৰত আৰু বাহিৰৰ ব্যৱসায়ী বাণিজ্য তথা উদ্যোগৰ বিকাশত সহায় কৰে।
- **তাৰল্য ঃ** মুদ্রা বজাৰে বিত্তীয় সম্পত্তিৰ তাৰল্য আৰু সুৰক্ষাৰ পোষকতা কৰে। মুদ্রা বজাৰে এক হ্রস্ব কালৰ ভিতৰত বিত্তীয় সম্পত্তিক নগদ ধনলৈ সলনি কৰিব পৰা মঞ্চ এখন আগবঢ়ায়।
- **সঞ্চয় আৰু বিনিয়োগক উৎসাহিত কৰে ঃ** মুদ্রা বজাৰে ৰাহি এককবোৰক সঞ্চয়ৰ বাবে উৎসাহিত কৰে। ই অর্থনীতিত বিনিয়োগৰ সম্ভাৱনা বৃদ্ধি কৰে। ঋণদানসাধ্য পূঁজিৰ চাহিদা তথা যোগানৰ আৰু সঞ্চয় তথা বিনিয়োগৰ ভাৰসাম্যতাই সম্পদৰ আবণ্টনত সহায় কৰে।
- **মুদ্রা নীতিৰ প্রচাৰ ঃ** এখন সুবিকশিত মুদ্রা বজাৰে কেন্দ্রীয় বেংকৰ মুদ্রানীতিৰ সফল কার্য ৰূপায়ণত সহায় কৰে। মুদ্রা বজাৰৰ জৰিয়তে কেন্দ্রীয় বেংকে বেংকিং ব্যৱস্থা এটাক নিয়ন্ত্রণাধীন কৰি ৰাখিব পৰা ক্ষমতাৰ অধিকাৰী হয়। এইবাবেই কেন্দ্রীয় বেংকে বাণিজ্য তথা উদ্যোগকো প্রভাৱিত কৰিব পাৰে।
- **মূল্য শৃংখলাৰ নিয়ন্ত্রণ ঃ** মুদ্রা বজাৰে মূল্য শৃংখলা নিয়ন্ত্রণতো এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। মুদ্রা বজাৰৰ উচ্চ হাৰে অর্থনীতিৰ তাৰল্য কম কৰে আৰু আর্থিক ব্যৱস্থাটোত অর্থনৈতিক কার্য-কলাপ হ্রাস কৰে। আনহাতে, হাৰ কম কৰি বজাৰৰ তাৰল্য বৃদ্ধি কৰা হয় আৰু ই মূলধন ব্যয় হ্রাস কৰে। এই পৰিস্থিতিটো বিনিয়োগ অনুকূল।

১৫.৫ মুদ্রা বজাৰৰ আহিলাবোৰ

কিছুমান মুদ্রা বজাৰৰ আহিলা (money market instruments) ৰ জৰিয়তে মুদ্রা বজাৰত

বিনিয়োগ কৰা হয়। এই আহিলাবোৰে ধাৰ লওঁতা (borrower)ৰ হ্ৰস্বম্যাদী প্ৰয়োজনীয়তাবোৰ পূৰ কৰে আৰু ধাৰে দিওঁতাক তাৰল্য আগবঢ়ায়। মুদ্রা বজাৰ আহিলাবোৰ হ'ল-

- **ট্ৰেজাৰী বিল (T-Bill) ঃ**

ট্ৰেজাৰী বিল হ'ল ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা এক বিশেষ ধৰণৰ বিত্তীয় বিল অথবা একোখন প্ৰত্যৰ্থ পত্ৰ। নিম্ন লেনদেন ব্যয়ত ৰিজাৰ্ভ বেংকে চৰকাৰৰ হৈ এনে বিল জাৰি কৰে। তাৰল্যত দেখা দিয়া হ্ৰস্বম্যাদী ঘাটি পূৰাবলৈ চৰকাৰে এই আহিলাবিধ ব্যৱহাৰ কৰে। অৰ্থাৎ, এনে আহিলাৰে চৰকাৰী প্ৰাপ্তি (Government receipts) আৰু ব্যয়ৰ মাজৰ ব্যৱধান পূৰোৱা হয়। ট্ৰেজাৰী বিলৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যবোৰ হ'ল ঃ (ক) উচ্চ তাৰল্য, (খ) ঋণচুৰি ৰ আশংকাৰ অনুপস্থিতি, (গ) সদাপ্ৰস্তুত সহজলভ্যতা, (ঘ) নিশ্চিত ফলাফল, (ঙ) নিম্ন লেনদেন ব্যয়, (চ) বিধিসন্মত তাৰল্য অনুপাতত (SLR) চামিলকৰণৰ সামৰ্থ আৰু (ছ) নগণ্য মূলধন অৱমূল্যন।

ট্ৰেজাৰী বিলক তিনিভাগত ভগাব পৰা যায়। ভাগকেইটা হ'ল-

- **অন টেপ বিল (On-tap bills) ঃ** ৪.৬৬ শতাংশ সূতত এনে বিল ৰিজাৰ্ভ বেংকৰ পৰা পোনপটীয়াকৈ কিনিবলৈ পোৱা গৈছিল। কিন্তু সময় বাগৰাৰ লগে লগে এনে বিলৰ গুৰুত্ব হ্ৰাস পাইছিল। ১৯৯৭ চনৰ প্ৰথম এপ্ৰিলৰ পৰা অন টেপ বিলৰ প্ৰচলন বন্ধ হৈছিল।
- **তদৰ্থ বিল (Adhoc-Bill) ঃ**১৯৫৫ চনত তদৰ্থ ট্ৰেজাৰী বিল আৰু এনে বিল জাৰি কৰাৰ পদ্ধতি জাৰি কৰা হৈছিল। ইয়াৰ দ্বাৰা চৰকাৰক পৰিপূৰক হ্ৰস্বম্যাদী বিত্তৰ প্ৰয়োজন পূৰণ কৰাৰ সুযোগ দিয়া হৈছিল। সিদ্ধান্ত লোৱা হৈছিল যে এনে বিলৰ সূত পৰিশোধ কৰিবলৈ চৰকাৰে ভাৰতীয় ৰিজাৰ্ভ বেংকত শুকুৰবাৰে সকলো দায়ৱদ্ধতাৰ পৰা মুক্ত ৫০ কোটি অথবা ততোধিক টকাৰ আৰু অন্য বাৰবোৰত চাৰি কোটি টকাৰ আন এক নগদ জমা ৰাখিব লাগিব। যেতিয়া এই দুয়োটা ন্যূনতম বিন্দুতকৈ নগদ জমাৰ পৰিমাণ কমি যায়, তেতিয়া ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নামত তদৰ্থ বিল সৃষ্টি কৰি চৰকাৰী জমাৰ ব্যয়পূৰ্তি কৰা হৈছিল। কিন্তু এই বিলৰ প্ৰচলনো ১৯৯৭ চনৰ ১ এপ্ৰিলৰ পৰা বন্ধ কৰা হৈছিল।
- **নিলাম কৰা টি বিল (Auctioned T-Bill) ঃ** নিলাম কৰা টি বিল হ'ল সবাতোকৈ সক্ৰিয় মুদ্রা বজাৰ আহিলা। ১৯৯২ চনৰ এপ্ৰিল মাহত এই আহিলাবিধৰ প্ৰচলন আৰম্ভ হৈছিল। ৰিজাৰ্ভ বেংকে বিভিন্ন অংশগ্ৰহণকাৰীৰ পৰা এক নিলামৰ জৰিয়তে ডাক মাতে আৰু কিছুমান কৰ্তন সীমা (cut off limits) প্ৰয়োজ্য হোৱা বিল জাৰি কৰে। বৰ্তমান টি বিলবোৰ ৯১ দিন, ১৮২ দিন আৰু ৩৬৪ দিনৰ বাবে জাৰি কৰা হয়।

- **বাণিজ্যিক দলিল পত্ৰৰ বজাৰ (Commercial Papers/CPs) ঃ** ভাৰতীয় ৰিজাৰ্ভ

বেংকে ১৯৯০ চনৰ জানুৱাৰী মাহত বাণিজ্যিক দলিল-পত্ৰ বিক্ৰীৰ কাম আৰম্ভ কৰিছিল। এনে দলিল -পত্ৰবোৰ হ'ল অসুৰক্ষিত হ্ৰস্বম্যাদী প্ৰত্যৰ্থ পত্ৰ (promissory notes)। এনে দলিল-পত্ৰবোৰ দৰদাম সাধ্য। এটা স্থিৰ পৰিপক্কতা কালৰে সৈতে এনে দলিল-পত্ৰবোৰ অৰ্পণ পদ্ধতিৰে হস্তান্তৰ কৰিব পাৰি। সাধাৰণতে দেশৰ অগ্ৰণী, সুপ্ৰতিষ্ঠিত, ঋণ লাভৰ যোগ্য আৰু উচ্চ প্ৰশংসিত বৃহৎ নিগমবোৰে এনে বাণিজ্যিক দলিল-পত্ৰ জাৰি কৰে।

বাণিজ্যিক দলিল-পত্ৰবোৰ সাধাৰণতে ৰেহাই মূল্যত বিক্ৰী কৰা হয়। ৰেহাই মূল্যৰ পৰিমাণ বজাৰ শক্তিবোৰে নিৰ্ধাৰণ কৰে। দলিল-পত্ৰৰ মূল্য সাধাৰণতে সূচীৱদ্ধ বাণিজ্যিক বেংকবোৰৰ ধন ধাৰে দিয়াৰ দৰ আৰু এক প্ৰতিনিধিত্বমূলক মুদ্ৰা বজাৰ দৰৰ মাজত স্থিৰ কৰা হয়। বাণিজ্যিক দলিল-পত্ৰ বিক্ৰীৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই কিছুমান দিক্‌নিৰ্দেশনা / স্বীকৃত বিধি জাৰি কৰিছে। তলত সেইবোৰৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল-

- এনে দলিল-পত্ৰ জাৰি কৰা কোম্পানীৰ স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ মুঠ মূল্য ৪ কোটি টকাতকৈ কম হ'ব নোৱাৰিব।
- কোম্পানীৰ পুঁজিভিত্তিক সক্ৰিয় মূলধনৰ সীমা ৪ কোটি টকাতকৈ কম হ'ব নোৱাৰিব।
- কোম্পানীয়ে নিজৰ সক্ৰিয় মূলধন সীমাৰ ৭৫ শতাংশ মুল্য পৰ্যন্ত বাণিজ্যিক দলিল-পত্ৰ জাৰি কৰিব পাৰিব।
- বাণিজ্যিক দলিল-পত্ৰৰ সৰ্বনিম্ন মূল্য ৫ লাখ টকা আৰু মাত্ৰ এগৰাকী বিনিয়োগকাৰীলৈ জাৰি কৰা দলিল-পত্ৰৰ সৰ্বোচ্চ মূল্য ২৫ লাখ টকা হ'ব পাৰে।
- বাণিজ্যিক দলিল-পত্ৰ জাৰি কৰাৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ আগতীয়া অনুমতিৰ প্ৰয়োজন নাই।
- এনে দলিলৰ গৰাকীসকলে পৰিপক্কতা ম্যাদ উকলি যোৱাৰ পাচত দলিল জাৰিকৰ্তা কোম্পানীৰ পৰা ধন লাভ কৰিবলৈ বাণিজ্যিক দলিল-পত্ৰবোৰ উপস্থাপন কৰিব লাগে।

হ্ৰস্বম্যাদী ধন বৃদ্ধি কৰাৰ বাবে বাণিজ্যিক দলিল-পত্ৰবোৰ ভাল আহিলা। কিন্তু ভাৰতত এতিয়াও এই আহিলাবিধ পূৰ্ণ বিকশিত হ'ব পৰা নাই। ইয়াত বাণিজ্যিক দলিল-পত্ৰৰ বাবে কোনো গৌণ বজাৰ সক্ৰিয় হৈ থকা নাই। বাণিজ্যিক কাগজ-পত্ৰ জাৰি কৰাৰ ফলত প্ৰশাসনিক অসুবিধা আৰু জটিলতাৰ আনুষ্ঠানিকতা থাকে। ই এখন বজাৰৰ বিকাশত প্ৰতিবন্ধকতা সৃষ্টি কৰে। ৭ দিনীয়া ন্যূনতম পৰিপক্কতা ম্যাদেও বাণিজ্যিক দলিল-পত্ৰৰ বিকাশত বাধাৰ সৃষ্টি কৰে। তথাপিও হ্ৰস্বম্যাদী ধন বৃদ্ধি কৰাৰ বাবে ই এক উত্তম আহিলা।

- **মুদ্রাৰ তলব বজাৰ (Call Money Market) ঃ** মুদ্রাৰ তলব বজাৰ হ'ল ৰাষ্ট্রীয় মুদ্রাবজাৰৰ এটা অংশ। এনে বজাৰৰ দৈনন্দিন ৰাহি পুঁজিৰ, বিশেষকৈ বেংকবোৰৰ দৈনন্দিন ৰাহি পুঁজিৰ কিনা-বেচা হয়। এনে বজাৰৰ পৰা লোৱা ঋণৰ প্রকৃতি হ্রস্বম্যাদী। এনে ঋণৰ পৰিপক্কতা কাল এদিনৰ পৰা ১৪ দিনৰ ভিতৰত হ'ব পাৰে। যদি লেনদেন এদিনৰ ভিতৰতে সম্পন্ন হয় তেন্তে ইয়াক তলবত লভ্য ধন (money at call) বোলা হয়। লেনদেন সম্পন্ন কৰিবলৈ যদি এদিনতকৈ অধিক সময়ৰ প্রয়োজন হয় তেন্তে ইয়াক হ্রস্বকাল জাননীত লভ্য ধন (money at short notice) বোলা হয়।

  বাণিজ্যিক বেংকবোৰে নগদ ধন সংৰক্ষণ অনুপাত (Cash Reserve Ratio/CRR) নামৰ এক ন্যূনতম নগদ জমাধন ৰাখিব লাগে। এই জমাধন বর্তাই ৰাখিবলৈ বেংকবোৰে ইটোৱে সিটোক 'তলবত লভ্য ধন'ৰ ঋণদান কৰে। এনে ঋণৰ সূতৰ হাৰক 'তলব হাৰ' (call rate) বোলে। ই এক অতি অস্থিৰ হাৰ। প্রায়েই দৈনিক ভিত্তিত আৰু কেতিয়াবা প্রতি ঘণ্টাৰ মূৰে মূৰে এনে হাৰ সলনি হয়। অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানবোৰে তলব বজাৰত অংশগ্রহণ কৰিব নোৱাৰে। সেয়েহে এই বজাৰখনক আন্তঃবেংক বজাৰ বুলিও কোৱা হয়। তলব হাৰ আৰু জমাধনৰ প্রমাণপত্র তথা বাণিজ্যিক দলিল-পত্রৰ দৰে হ্রস্বম্যাদী মুদ্রা বজাৰ আহিলাবোৰৰ মাজত এটা প্রতিলোম সম্পর্ক আছে। তলব মুদ্রা হাৰ বৃদ্ধি হ'লে বাণিজ্যিক দলিল-পত্র আৰু জমাধনৰ প্রমাণ পত্রৰ দৰে অন্য বিত্ত উৎসবোৰ সস্তা হৈ পৰে। বেংকে এনে উৎসবোৰৰ পৰা পুঁজি বৃদ্ধিৰ চেষ্টা চলোৱাৰ সময়ত কিন্তু এই উৎসবোৰৰ ক্রয়মূল্য নকমে।

  মুদ্রাৰ তলব বজাৰখনক উন্নত দেশবোৰত এক উন্নত মুদ্রা বজাৰ বুলি গণ্য কৰা হয়। তথাপিও কিন্তু ইয়াক সমল সংগঠিত কৰাৰ এক ফলপ্রসূ আহিলা বুলিব নোৱাৰি। কাৰণ, সংগঠিত আৰু অসংগঠিত খণ্ডৰ মাজত উপযুক্ত সমন্বয়ৰ অভাৱ দেখা যায়। ইয়াৰ উপৰি চৰকাৰ আৰু বেংকিং ব্যৱস্থাৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা ল'ব পৰা হ্রস্বম্যাদী সম্পত্তিৰ ডীলাৰৰ সংখ্যা যথেষ্ট কম।

- **জমাধনৰ প্রমাণ পত্র (Certificate of Deposits/CD)**

  জমাধনৰ প্রমাণপত্র হ'ল আন এবিধ মুদ্রা বজাৰ আহিলা। এই আহিলাবিধ দৰদাম সাধ্য। ই বাণিজ্যিক বেংক আৰু বিত্তীয় মধ্যৱর্তী প্রতিষ্ঠানবোৰে জাৰি কৰা প্রত্যর্থ টোকাৰ সমান। ভাৰতীয় ৰিজার্ভ বেংকে ১৯৮৯ চনৰ জুন মাহৰ পৰা জমাধন প্রমাণপত্রৰ প্রচলন আৰম্ভ কৰিছিল। ইয়াৰ মূল উদ্দেশ্য হ'ল বাণিজ্যিক বেংকবোৰক বজাৰৰ পৰা পুঁজি সংগ্রহৰ সুবিধা কৰি দিয়া।

  জমাধনৰ প্রমাণপত্র হ'ল ধন জমা কৰোঁতা আৰু বেংকৰ মাজত হোৱা এক চুক্তি। এই চুক্তিৰ জৰিয়তে জমাকর্তাই এক নির্দিষ্ট সময়ৰ বাবে জমা ৰখা ধনখিনি উলিয়াই নিনিয়ে বুলি প্রতিশ্রুতি দিয়ে। ইয়াৰ বিনিময়ত তেওঁ জমা ৰখা পুঁজিৰ বিপৰীতে সূত উপার্জন

কৰে। বাণিজ্যিক বেংকবোৰে ৭ দিনৰ পৰা এবছৰৰ পৰিপক্কতা ম্যাদ থকা জমাধনৰ প্ৰমাণপত্ৰ জাৰি কৰিব পাৰে। কিন্তু বিত্তীয় প্ৰতিষ্ঠানে জাৰি কৰা জমাধনৰ প্ৰমাণ পত্ৰবোৰৰ পৰিপক্কতা কাল ১ বছৰৰ পৰা ৩ বছৰীয়া হ'ব পাৰে।

অন্য কাল নিৰ্ধাৰিত জমা ধনৰ দৰে জমাধনৰ প্ৰমাণপত্ৰবোৰেও SLR আৰু CRRৰ প্ৰয়োজনীয়তা পূৰণ কৰে। বেংকে কিমান ধন সংগ্ৰহ কৰিব তাৰ ওপৰত কোনো সীমাৱদ্ধতা নাই। কঠোৰ তাৰল্যৰ সময়ত বেংকবোৰে জমাধনৰ প্ৰমাণপত্ৰ জাৰি কৰে। এনে সময়ত প্ৰমাণপত্ৰবোৰৰ সৈতে আপেক্ষিকভাৱে উচ্চ সূতৰ হাৰ সংলগ্ন কৰি দিয়া হয়। জমাধনৰ প্ৰমাণপত্ৰ সংগ্ৰহৰ বাবে বহুতো বিনিয়োগকাৰী আছে, যেনে- ব্যক্তি, নিগম, কোম্পনী, ন্যাস, পুঁজি ইত্যাদি। কোম্পানী প্ৰবাসী ভাৰতীয় (NRIs) সকলেও জমাধনৰ প্ৰমাণপত্ৰত বিনিয়োগ কৰিব পাৰে। কিন্তু তেওঁলোকৰ প্ৰমাণ পত্ৰবোৰ হস্তান্তৰ সাধ্য নহয়।

জমাধনৰ প্ৰমাণপত্ৰৰ বজাৰখন বিকশিত কৰাৰ বহুতো সুযোগ আছে। কিন্তু দুটামান বাধাই আজিও ইয়াৰ বিকাশ ৰুদ্ধ কৰি ৰাখিছে। জমাধনৰ প্ৰমাণপত্ৰৰ সবাতোকৈ ডাঙৰ দুৰ্বলতাটো হ'ল এনে প্ৰমাণপত্ৰৰ লেনদেন হোৱা গৌণ বজাৰখনৰ এতিয়াও উপযুক্ত বিকাশ হোৱা নাই। এই বজাৰত অংশগ্ৰহণকাৰীৰ সংখ্যা সীমিত হোৱাৰ লগতে সূতৰ হাৰো যথেষ্ট বেছি। এই বজাৰত জমাধনৰ বিপৰীতে ঋণ লাভৰ কোনো সুবিধা নাই। জমাধনৰ প্ৰমাণপত্ৰবোৰত সদায়েই সূতৰ একোটা স্থিৰ হাৰ বন্ধা থাকে।

- **বাণিজ্যিক বিল নাইবা বিনিময়ৰ বিল (Commercial Bills or Bills of Exchange)**

বিল বজাৰত লেনদেন কৰা বিত্তীয় আহিলাবিধ হ'ল বিনিময়ৰ বিল। সামগ্ৰীৰ ৰূপত কৰা লেনদেন একোটাক বিত্তীয় সাহায্য প্ৰদান কৰিবলৈ এনে বিল জাৰি কৰা হয়। এনে লেনদেন সম্পন্ন হ'বলৈ কিছুসময়ৰ প্ৰয়োজন হয়। কোনো সামগ্ৰী যদি ধন পৰিশোধ নকৰাকৈ উঠোৱা হয় তেতিয়া এক নিৰ্ধাৰিত দিনত নগদ ধন পৰিশোধ কৰাৰ দায়বদ্ধতা এনে বিলৰ দ্বাৰা বান্ধি দিয়া হয়। বাণিজ্যিক বিলবোৰৰ তাৰল্য অতি বেছি আৰু এনে বিল বিপদমুক্ত।

বজাৰত বিভিন্ন প্ৰকাৰৰ বিনিময় বিল প্ৰচলিত। তলত সেইবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল-

- **চাহিদা বিল আৰু প্ৰয়োগ বিল (Demand bill and Usance Bill) ঃ** এখন চাহিদা বিল 'এই স্থান'তে (at sight) নাইবা 'উপস্থাপনৰ লগে লগে' (On presentment) ধন আহৰণ কৰোঁতা (Drawee)ক পৰিশোধ কৰিব লাগে। যিখন বিলত ধন পৰিশোধ কৰাৰ তাৎক্ষণিক সময়ৰ উল্লেখ থাকে তাকে চাহিদা বিল বোলা হয়। আনহাতে, প্ৰয়োগ বিল এক নিৰ্ধাৰিত ভৱিষ্যৎ তাৰিখত পৰিশোধ

কৰিব লাগে। এনে বিলৰ বিষয়ে বুজোৱা ' Usance' শব্দটোৱে বিল পৰিশোধৰ প্ৰথা (Custom) নাইবা প্ৰয়োগ বিধি (Usage)য়ে স্বীকৃতি দিয়া কাল এছোৱাৰ কথা বুজায়।

- **দায়হীন বিল আৰু দলিলযুক্ত বিল (Clean Bills and Documentary Bills)** ঃ দায়হীন বিলত প্ৰয়োজনীয় প্ৰমাণ পত্ৰবোৰ সংলগ্ন কৰি ধন আহৰণ কৰোঁতাই বেংকত গ্ৰহণকাৰীক জমা দিয়ে। দলিলযুক্ত বিলত পাবলগীয়া ধনৰ বিপৰীতে প্ৰয়োজনীয় প্ৰমাণ পত্ৰবোৰ ধন আহৰণ কৰোঁতাই বেংকত জমা দিয়ে। বেংকে বিলৰ বিপৰীতে ধন পৰিশোধ নকৰা পৰ্যন্ত এই প্ৰমাণপত্ৰবোৰ জমা ৰাখে।
- **দেশীয় বিল আৰু বিদেশী বিল (Inland Bills and Foreign Bills)** ঃ দেশীয় বিলবোৰ (ক) ভাৰততে আহৰণ কৰিব লাগিব, ভাৰততে তৈয়াৰ কৰিব লাগিব আৰু ভাৰততে পৰিশোধযোগ্য হ'ব লাগিব; নাইবা (খ) যিকোনো ভাৰতীয় বাসিন্দাৰ পৰা আহৰণ কৰিব লাগিব। ইয়াৰ বিপৰীতে, বিদেশী বিলবোৰ (ক) বিদেশত আহৰণ কৰিব লাগিব, ভাৰতত থকা নাইবা ভাৰতৰ বাহিৰত থকা বিদেশী পক্ষ এটাক নাইবা এটাৰ দ্বাৰা পৰিশোধযোগ্য হ'ব লাগিব, নাইবা ভাৰতত পৰিশোধযোগ্য হ'ব লাগিব, নাইবা ভাৰতৰ বাসিন্দা পক্ষ এটাৰ পৰা আহৰণ কৰিব লাগিব, নাইবা (খ) ভাৰতত আহৰণ কৰি ভাৰতৰ বাহিৰত পৰিশোধ কৰিব লাগিব। ভাৰতত কৃষিভিত্তিক কাম-কাজ, কুটীৰ তথা ক্ষুদ্ৰ উদ্যোগ আৰু অন্য বাণিজ্যিক তথা ব্যৱসায়িক লেনদেনৰ বাবে বিনিময়ৰ বিলৰ বহুল প্ৰয়োগ কৰা হয়। কৃষিভিত্তিক বিলবোৰ ঋতুজ কৃষিকাৰ্য, শস্য বিপণন আদি কামত বিত্তীয় সাহয্য প্ৰদান কৰাৰ নামত আহৰণ কৰা হয়। কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ বিলবোৰ এনে উদ্যোগৰ উৎপাদন তথা বিপণন কাৰ্যলাপত বিত্তীয় সাহায্য প্ৰদান কৰাৰ নামত আহৰণ কৰা হয়। কিন্তু গৌণ বজাৰৰ অনুপস্থিতিত বাণিজ্যিক বিলবোৰ এতিয়াও অৰ্ধবিকশিত পৰ্যায়তে আছে। বাণিজ্যিক বিলৰ লেনদেনতকৈ ঋণ ব্যৱস্থা এতিয়াও অধিক জনপ্ৰিয়। সমগ্ৰ দেশতে বাণিজ্যিক বিল আহৰণত কোনো সমৰূপতা নাই। লগতে এনে বিলৰ টিকট শুল্কও যথেষ্ট বেছি।

১৫.৬ মুদ্রা বজাৰ আৰু মূলধন বজাৰৰ আন্তঃসম্পৰ্ক

মুদ্রা বজাৰ আৰু মূলধন বজাৰৰ মাজত ঘনিষ্ঠ আন্তঃসম্পৰ্ক আছে। কাৰণ, অধিকাংশ নিগম আৰু বিত্তীয় প্ৰতিষ্ঠান দুয়োখন ক্ষেত্ৰতে সক্ৰিয়। ব্যৱসায়িক প্ৰতিষ্ঠানবোৰে মুদ্রা বজাৰৰ পৰা কম সময়ৰ বাবে আৰু মূলধন বজাৰৰ পৰা দীৰ্ঘ সময়ৰ বাবে পুঁজি ধাৰলৈ ল'ব পাৰে। বিভিন্ন কাৰকে ধাৰ লওতা তথা ধাৰ দিওতাক মুদ্রা বজাৰ অথবা মূলধন বজাৰ বাছি লোৱাত সহায় কৰে। এনেবোৰ কথাৰ পৰাই দুয়োখন বজাৰৰ আন্তঃনিৰ্ভৰশীলতাৰ বিষয়ে জানিব পাৰি। তলত এনে কেইটামান কাৰকৰ বিষয়ে আলোচনা কৰা হ'ল-

- পূঁজিৰ সহজলভ্যতা, পূঁজি প্ৰত্যাৱৰ্তনৰ হাৰ, বিনিয়োগ নীতিৰ ওপৰত ভিত্তি কৰি ধন ধাৰে দিওতাই কোনখন বজাৰত নে দুয়োখন বজাৰতে পূঁজি বিনিয়োগ কৰিব সেয়া বাছনি কৰে।
- ধন ধাৰে লওতাই নিজৰ প্ৰয়োজন অনুসৰি যিকোনো এখন নাইবা দুয়োখন বজাৰৰ পৰা পূঁজি আহৰণ কৰে। এটা ব্যৱসায়িক প্ৰতিষ্ঠানে বাণিজ্যিক দলিল-পত্ৰ বিক্ৰী নাইবা অতিৰিক্ত শ্বেয়াৰ নাইবা ব'ণ্ড বজাৰত এৰি দি হ্ৰস্বম্যাদী পূঁজি সংগ্ৰহ কৰিব পাৰে।
- কিছুমান নিগম আৰু বিত্তীয় প্ৰতিষ্ঠানে হ্ৰস্যম্যাদী আৰু দীৰ্ঘম্যাদী প্ৰতিভূতি দুয়োখন বজাৰতে কিনা-বেচা কৰে।
- সকলোবোৰ দীৰ্ঘম্যাদী প্ৰতিভূতি পৰিপক্ক কালত হ্ৰস্বম্যাদী আহিলাত পৰিণত হয়। অৰ্থাৎ, কিছুমান মূলধন বজাৰ আহিলাই মুদ্ৰা বজাৰ আহিলাৰো কাম কৰে।
- যেতিয়াই ৰাজকোষে পৰিপক্ক বিলবোৰৰ বিপৰীতে ট্ৰেজাৰী প্ৰতিভূতিৰে সৈতে বিত্তীয় সাহায্য আগবঢ়ায় তেতিয়া পূঁজি দুয়োখন বজাৰৰ ইখনৰ পৰা সিখনলৈ প্ৰবাহিত হৈ থাকে। যেতিয়া কোনো এটা বেংকে এক হ্ৰস্বম্যাদী ভিত্তিত এখন বিত্তীয় প্ৰতিষ্ঠানলৈ এক মেচিউৰিটি ব'ণ্ডৰ সমুৎপন্ন ধন (proceeds) ধাৰলৈ দিয়ে তেতিয়াও পূঁজি দুয়োখন বজাৰৰ মাজেৰে প্ৰবাহিত হয়।
- মুদ্ৰা বজাৰৰ উৎপন্নানুপাতৰ মূলধন বজাৰৰ উৎপন্নানুপাতৰ সৈতে সম্পৰ্ক আছে। মুদ্ৰা বজাৰত হ্ৰস্বম্যাদী সূতৰ হাৰত হোৱা অৱনতিয়ে সহজলভ্য ঋণৰ এক চৰ্ত প্ৰদৰ্শন কৰে। মূলধন বজাৰে এই আৰ্হি অনুসৰণ কৰিব পাৰে অথবা দীৰ্ঘম্যাদী সূতৰ হাৰত এক মধ্যমীয়া পতন সংঘটিত কৰিব পাৰে। অৱশ্যে, মুদ্ৰা বজাৰৰ সুতৰ দাৰ মূলধন বজাৰৰ দীৰ্ঘম্যাদী সূতৰ হাৰতকৈ অধিক সংবেদনশীল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ মুদ্ৰা বজাৰ সম্পৰ্কে এটা চমুটোকা লিখক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন ২ ঃ ভাৰতীয় মুদ্ৰা বজাৰৰ আহিলাবোৰ কি কি। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন ৩ ঃ চাহিদা বিল আৰু প্ৰয়োগ বিলৰ মাজত থকা প্ৰভেদ এটা উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন ৪ ঃ বিনিময়ৰ বিল কি? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মুদ্রা বজাৰ হ'ল কাগজী মুদ্রাৰ নিকট বিকল্প সদৃশ বিত্তীয় সম্পত্তিবোৰৰ বজাৰ। ই এবছৰ নাইবা এবছৰতকৈ কম পৰিপক্কতা কাল থকা এদিনীয়া নাইবা হ্ৰস্বম্যাদী লেনদেন সাধ্য পুঁজিৰ বজাৰ।
- ভাৰতীয় বজাৰত লেনদেনৰ ব্যৱসায় কৰি থকা আহিলাবোৰ হ'ল-ট্ৰেজাৰী বিল, তলব / জাননী জাননী বিল মুদ্রা বজাৰ-তলব (এদিনীয়া) আৰু হ্ৰস্ব জাননী (১৪ দিনলৈকে), বিত্তীয় দলিল-পত্ৰ, জমাধনৰ প্ৰমাণপত্ৰ আৰু বাণিজ্যিক বিল।
- হ্ৰস্বম্যাদী তাৰল্য ঘাটিবোৰ পূৰাবলৈ চৰকাৰৰ হৈ ৰিজাৰ্ভ বেংকে ট্ৰেজাৰী বিল নামৰ হ্ৰাস্বম্যাদী আহিলা এবিধ জাৰি কৰে। ট্ৰেজাৰী বিল তিনি প্ৰকাৰৰ যেনে অনটেপ বিল, তদর্থ বিল আৰু নীলাম ট্ৰেজাৰী বিল।
- এখন বাণিজ্যক দলিল হ'ল এক অনিশ্চিত হ্ৰস্বম্যাদী প্ৰত্যৰ্থ টোকা। ই দৰদাম সাধ্য আৰু এটা স্থিৰ পৰিপক্ক কালৰে সৈতে এনে দলিল চহী আৰু অর্পণ পদ্ধতিৰে হস্তান্তৰ কৰিব পাৰি।
- এখন ব্যৱসায়িক বিল হ'ল হ্ৰস্বম্যাদী, দৰদামসাধ্য আৰু স্ব-তাৰল্য থকা আহিলা। ইয়াত শংকাৰ পৰিমাণ কম। ভাৰতত বিল বজাৰৰ যথোপযুক্ত বিকাশ নঘটাৰ কাৰণ হ'ল- (ক) ঋণ দিয়াৰ নগদ ধন-ধাৰলৈ লোৱা ব্যৱস্থা। ইয়াত নগদ ধন ব্যৱস্থাপনাৰ দায়িত্ব বেংকৰ হাতত ন্যস্ত থাকে আৰু (খ) এখন সক্ৰিয় গৌণ বজাৰৰ অনুপস্থিতি।

- জমাধনৰ প্ৰমাণপত্ৰবোৰ অসুৰক্ষিত, দৰদামসাধ্য আৰু হ্ৰস্যম্যাদী আহিলা। ভাৰবাহকৰ ৰূপ (bearer form) ত থকা এনে প্ৰমাণপত্ৰবোৰ ব্যৱসায়িক বেংক তথা উন্নয়নকেন্দ্ৰিক বিত্তীয় প্ৰতিষ্ঠানবোৰে জাৰি কৰিব পাৰে।
- তলব/জাননী মুদ্রা বজাৰত অতি হ্ৰস্বম্যাদী পুঁজি চাহিদা অনুসৰি পুনৰ পৰিশোধ কৰা হয়। এই বজাৰত পুঁজিৰ পৰিপক্কতা কাল এদিনৰ পৰা ১৪ দিনৰ ভিতৰত নিৰ্ধাৰণ কৰি লোৱা হয়।



১৫.৮ অধিক জানিবৰ বাবে

ইংৰাজী গ্ৰন্থ ঃ

- Bhole, L.M. & Mahakund, J. (2009). *Financial Institutions and Markets*. New York: The McGraw-Hill.
- Jhingan, M.L. (2004). *Monetary Economics*. Delhi: Vrinda Publications (P) Ltd.
- Pathak, B. V. (2013). *The Indian Financial System: Markets, Institutions and Services.* India: Pearson

অসমীয়া গ্ৰন্থ ঃ

- আহমেদ, ৰফিক (২০০৭) ঃ *সমষ্টিগত অৰ্থতত্ত্ব*। যোৰহাট- ইউনিকা প্ৰকাশন।



১৫.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ হ্ৰস্বম্যাদী পুঁজি ধাৰলৈ লোৱা আৰু ধাৰে দিয়াৰ সুযোগ সুচল কৰিবলৈ থকা আনুষ্ঠানিক ব্যৱস্থাপনা প্ৰণালীটোকে মুদ্রা বজাৰ বোলা হয়। এখন মুদ্রা বজাৰত বিভিন্ন প্ৰকাৰৰ আহিলাৰ বিপৰীতে এবছৰ নাইবা তাতোকৈ কম সময়ৰ পৰিপক্কতা কালৰ বাবে পুঁজি ধাৰলৈ ল'ব পৰা যায়। ব্যৱহৃত আহিলাবোৰ- বিনিময়ৰ বিল, হ্ৰস্বম্যাদী প্ৰতিভূতি, বেংকাৰৰ গ্ৰহণপত্ৰ ইত্যাদি হ'ব পাৰে। এইবোৰক 'মুদ্রাৰ সমমান' বুলি ধৰা হয়। মুদ্রা বজাৰে উৎপাদন আৰু বিতৰণ কাৰ্যৰ বাবে প্ৰয়োজনীয় পুঁজিৰ যোগান ধৰে। ই দেশ এখনৰ অৰ্থনৈতিক বিকাশৰ পৃষ্ঠপোষকতা কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় মুদ্রা বজাৰৰ আহিলাবোৰ হ'ল-ট্ৰেজাৰী বিল (T-bills), তলব / জাননী মুদ্রা বজাৰ- তলব (এদিনীয়া) আৰু হ্ৰস্বকাল জাননী (১৪ দিনলৈ), বাণিজ্যিক দলিল-পত্ৰ (CPs), জমাধনৰ প্ৰমাণপত্ৰ (CDs) আৰু বাণিজ্যিক বিল (CBs)।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এখন চাহিদা বিল 'এই স্থান'তে নাইবা 'উপস্থাপনৰ লগে লগে' ধন আহৰণ কৰোঁতাক পৰিশোধ কৰিব লাগে। যিখন বিলত ধন পৰিশোধ কৰাৰ তাৎক্ষণিক সময়ৰ উল্লেখ থাকে তাকে চাহিদা বিল বোলা হয়। আনহাতে, প্ৰয়োগ বিল হ'ল এক নিৰ্ধাৰিত ভৱিষ্যৎ তাৰিখত পৰিশোধ কৰিবলগীয়া বিল। এনে বিলৰ বিষয়ে বুজোৱা ' Usance' শব্দটোৱে বিল পৰিশোধৰ প্ৰথা নাইবা প্ৰয়োগ বিধিয়ে স্বীকৃতি দিয়া কালএছোৱাৰ কথা বুজায়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বিল বজাৰত লেনদেন কৰা বিত্তীয় আহিলাবিধ হ'ল বিনিময়ৰ বিল। সামগ্ৰীৰ ৰূপত কৰা লেনদেন একোটাক বিত্তীয় সাহায্য প্ৰদান কৰিবলৈ এনে বিল জাৰি কৰা হয়। এনে লেনদেন সম্পন্ন হ'বলৈ কিছুসময়ৰ প্ৰয়োজন হয়। কোনো সামগ্ৰী যদি ধন পৰিশোধ নকৰাকৈ উঠোৱা হয় তেতিয়া এক নিৰ্ধাৰিত দিনত নগদ ধন পৰিশোধ কৰাৰ দায়ৱদ্ধতা এনে বিলৰ দ্বাৰা বান্ধি দিয়া হয়। বাণিজ্যিক বিলবোৰৰ তাৰল্য অতি বেছি আৰু এনে বিল বিপদমুক্ত।

১৫.১০ আৰ্হি প্ৰশ্ন

শুদ্ধ উত্তৰ বাচি উলিয়াওক ঃ

প্ৰশ্ন ১ ঃ অতি কম সময়ৰ বাবে ঋণ আগবঢ়োৱা বজাৰখন হ'ল-

(ক) মুদ্রা বজাৰ

(খ) সমূহীয়া ঋণ বজাৰ

(গ) তলৰ মুদ্রা বজাৰ

(ঘ) বিল বজাৰ

প্ৰশ্ন ২ ঃ ভাৰতীয় মুদ্রা বজাৰৰ প্ৰকৃত বৈশিষ্ট্যটো হ'ল-

(ক) অসংগঠিত

(খ) সুপ্ৰতিষ্ঠিত

(গ) উন্নত

(ঘ) অসংগঠিত আৰু সংগঠিত খণ্ডত বিভক্ত

চমু প্ৰশ্ন (১৫০ টা মান শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক) -

প্ৰশ্ন ১ ঃ কিয় ভাৰতত বাণিজ্যিক বিল বজাৰখনৰ বিকাশ ঘটা নাই ?

প্ৰশ্ন ২ ঃ চমু টোকা লিখক-

(ক) জমাধনৰ প্ৰমাণপত্ৰ

(খ) বাণিজ্যিক দলিল-পত্ৰ

(গ) ট্ৰেজাৰী বিল

প্ৰশ্ন ৩ ঃ ট্ৰেজাৰী বিলৰ প্ৰকাৰবোৰ ব্যাখ্যা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মুদ্রা বজাৰৰ সংজ্ঞা দিয়ক। ইয়াৰ আহিলাবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ মুদ্রা আৰু মূলধন বজাৰৰ প্ৰভেদ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ মুদ্রা আৰু মূলধন বজাৰৰ আন্তঃনিৰ্ভৰশীলতা ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ অৰ্থনীতিত মুদ্রা বজাৰৰ ভূমিকা ব্যাখ্যা কৰক।

** ***** **